■ RNP/GH-075/2018-2020 ■ REGN. NO. 53902/95
■ e-paper : www.asomiyapratidin.in
e-mail : ■ asomiyapratidin@yahoo.co.in

অসমীয়া প্ৰতিদিন

# অসমীয়া প্ৰতিদিন

দেওবৰীয়া সম্ভাৰ
বিনামূলীয়াকৈ
■ আজিৰ কাকত ১৮+ ১৬ পৃষ্ঠাৰ

২৪ শ বছৰ ■ সংখ্যা ১১২ ■ ৯ আহাৰ, ১৯৪০ শক ■ দেওবাৰ, ২৪ জুন ■ ASOMIYA PRATIDIN ■ JUNE 24, 2018 ■ গুৱাহাটী, ডিব্ৰুগড়, লখিমপুৰ, বঙাইগাঁৱৰ পৰা প্ৰকাশিত ■ গুৱাহাটী সংস্কৰণ * / Guwahati Edition * ■ মূল্য ঃ ৯.০০ টকা

বকোত কুসংস্কাৰ-অন্ধবিশ্বাসৰ বিৰুদ্ধে গণসচেতনতা অভিযান

## শিক্ষাৰ উন্নয়নেৰে অন্ধবিশ্বাস আঁতৰোৱাৰ আহ্বান বীৰুবালা ৰাভাৰ




### কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ 'পোহৰ বিচাৰি'

**প্ৰতিদিন সেৱা, বকো, ২৩ জুন ঃ** কু-সংস্কাৰ, অন্ধবিশ্বাস আৰু উৰাবাতৰিয়ে যাতে সমাজখনত প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম নহয়, তাৰ বাবে কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে মুখ্যমন্ত্ৰীৰ 'সংস্কাৰ মানুহে মানুহৰ বাবে'ৰ আঁত ধৰি আৰম্ভ কৰা 'পোহৰ বিচাৰি' শীৰ্ষক এলানি কাৰ্যসূচীৰ অংশ হিচাপে আজি বকোত অনুষ্ঠিত কৰে এক গণ সচেতনতা অভিযান। বকোৰ আগশাৰীৰ শিক্ষানুষ্ঠান জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ সহযোগত মহাবিদ্যালয়খনত অনুষ্ঠিত 'পোহৰ বিচাৰি' শীৰ্ষক এই গণ সচেতনতা ■ ১১ পৃষ্ঠাত

## শিক্ষাৰ উন্নয়নেৰে অন্ধবিশ্বাস

■ *পঞ্চম পৃষ্ঠাৰ পৰা* অভিযানৰ কাৰ্যসূচী সঞ্চলনা কৰে কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ অধ্যক্ষ ড° হিতেশ ডেকাই আৰু উদ্দেশ্য ব্যাখ্যা কৰে পঞ্জীয়ক অৰূপজ্যোতি চৌধুৰীয়ে। কু-সংস্কাৰ আৰু ডাইনী প্ৰথাৰ বিৰুদ্ধে অহৰহ যুঁজ চলাই অহা সমাজকৰ্মী বীৰুবালা ৰাভাই অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি অসমৰ বিভিন্ন অঞ্চলত ডাইনী সন্দেহত বহু মহিলা নিৰ্যাতিত হোৱা বুলি উল্লেখ কৰি বিষয়টোত গভীৰ উদ্বেগ প্ৰকাশ কৰে। কু-সংস্কাৰ আৰু ডাইনী প্ৰথাত পুৰুষতকৈ মহিলা অধিক নিৰ্যাতিত হৈছে বুলিও তেওঁ কয়। এনে অন্ধবিশ্বাসৰ অৱসান ঘটাবলৈ ৰাজ্যখনৰ লোকসকল শিক্ষিত হোৱাৰ প্ৰয়োজন আৰু এইক্ষেত্ৰত প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণৰ বাবে চৰকাৰ নাইবা সামাজিক সংগঠনসমূহে ভিতৰুৱা গাঁওসমূহ সামৰি শিক্ষা ব্যৱস্থাৰ উন্নয়নৰ ব্যৱস্থা গ্ৰহণৰ প্ৰয়োজন বুলি বীৰুবালা ৰাভাই ভাষণত উল্লেখ কৰে। বীৰুবালা ৰাভাৰ ভাষণৰ আঁত ধৰি আজিৰ অনুষ্ঠানত অংশগ্ৰহণ কৰা মুখ্যমন্ত্ৰীৰ প্ৰেছ উপদেষ্টা হৃষীকেশ গোস্বামীয়ে শেহতীয়াকৈ কাৰ্বি আংলঙত দুই প্ৰতিভাৱান যুৱক নীলোৎপল আৰু অভিজিতক হত্যা কৰা কাৰ্যত যথেষ্ট দুখ প্ৰকাশ কৰে। এনে ঘটনাৰ পৰা হাত সাৰিবলৈ নতুন প্ৰজন্মক অতি সাৱধানে ম'বাইল ব্যৱহাৰ কৰিবলৈ তেওঁ আহ্বান জনায়। মুখ্যমন্ত্ৰীৰ প্ৰেছ উপদেষ্টাগৰাকীয়ে ফে'চবুক, হোৱাটছএপ আদি ইতিবাচক দিশত ব্যৱহাৰ কৰাৰ সলনি নেতিবাচক ক্ষেত্ৰত ব্যৱহাৰ কৰিলে বিহিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি উল্লেখ কৰি উৰাবাতৰিৰে সমাজখনক আতংকিত কৰিব খোজা শক্তিসমূহক একপ্ৰকাৰ সকীয়নি প্ৰদান কৰে। কু-সংস্কাৰ, অন্ধবিশ্বাস আৰু উৰাবাতৰিৰ প্ৰভাৱ নিঃশেষ কৰিবলৈ সাংবাদিকসকলেও ভূমিকা গ্ৰহণ কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। আজিৰ অনুষ্ঠানত অংশগ্ৰহণ কৰি অভিনেত্ৰী মলয়া গোস্বামীয়েও ৰাজ্যখনত সংঘটিত শেহতীয়া ঘটনাসমূহত উদ্বেগ প্ৰকাশ কৰে। অনুষ্ঠানত প্ৰদান কৰা ভাষণত প্ৰতিগৰাকী বক্তাই অপশক্তিৰ পৰা ৰক্ষা পৰিবলৈ শিক্ষাৰ ওপৰত গুৰুত্ব দিয়াৰ প্ৰয়োজন বুলি দোহাৰে। অনুষ্ঠানত ৰাজ্যৰ বিশেষ আৰক্ষী সঞ্চালকপ্ৰধান পল্লৱ ভট্টাচাৰ্য, মনোৰোগ বিশেষজ্ঞ ডাঃ জয়ন্ত দাস, বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ পৰিচালন সমিতিৰ সভাপতি মৃগেন্দ্ৰ মোহন গোস্বামী, অধ্যক্ষ ড° নৃপেন গোস্বামী, ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী সদস্য সুমিত ৰাভা আদি কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰি ভাষণ প্ৰদান কৰে।